# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-02-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰত্নমক সাক্ষাৎ, এডভাণ্টেজ আচাম সম্পৰ্কত আলোচনা।

২। অহা ২৪ ফেব্ৰুৱাৰীত ঝুমুইৰ বিনন্দিনী কাৰ্যসূচীৰ বাবে ব্যাপক প্ৰস্তুতি।

৩। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ পৰৱৰ্তী শিক্ষাবৰ্ষৰ বাবে বিনামুলীয়া পাঠ্যপুথি বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ।

৪। অসম সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগৰ তদন্তৰ বাবে আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ এটা দল মুম্বাইলৈ ৰাওনা। ***আৰু***

৫। ৰাজ্যৰ বিভিন্ন স্থানত ৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক পৰ্যায়ৰ খেল।

ooooo

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যে ছিংগাপুৰ ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰত্নমক সাক্ষাৎ কৰে। ড০ শৰ্মাই ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে ভাৰত-ছিংগাপুৰৰ কৌশলগত অংশীদাৰিত্বত অসমৰ ভূমিকা সন্দৰ্ভত আলোচনাত মিলিত হয়। তেওঁ লগতে দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণনক সাক্ষাৎ কৰি ভাৰতৰ এক্ট-ইষ্ট নীতিৰ অধীনত অসম আৰু ছিংগাপুৰৰ মাজত থকা অংশীদাৰিত্ব সুদৃঢ় কৰাৰ বিষয়ত মত বিনিময় কৰে। মুখ্যমন্ত্ৰী শৰ্মাই দেশখনৰ ছুৰবানা জুৰং উদ্যোগৰ মুখ্য কাৰ্যবাহী বিষয়া লো চেৰ একৰ সৈতেও আলোচনাত মিলিত হয়। তেওঁ বিষয়াগৰাকীক অনাগত দিনত অসমক নগৰ উন্নয়নৰ লক্ষ্যৰে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ইয়াৰ পূৰ্বে মুখমন্ত্ৰীগৰাকীয়ে ছিংগাপুৰৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ নেতাসকলৰ সৈতে ফলপ্ৰসূ আলোচনাত মিলিত হয় আৰু তেওঁলোকক জাগীৰোডত নিৰ্মাণ হ'বলগীয়া ইলেকট্ৰনিক চিটীৰ অংশীদাৰ হ'বলৈ আহ্বান জনায়।

এই ভ্ৰমণৰ সময়ছোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে বাণিজ্যিক সহযোগিতা আৰু বিনিয়োগৰ সুযোগ অন্বেষণ কৰিবলৈ প্ৰতিষ্ঠিত উদ্যোগপতিসকলৰ সৈতে কেইবাখনো পৃথক বৈঠকত অংশগ্ৰহণ কৰিব। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছামৰ বাবে ৰাজ্যত ব্যাপক প্ৰস্তুতি চলি আছে। এইবাৰৰ এডভাণ্টেজ আছামত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী আৰু

ভালেসংখ্যক দেশী-বিদেশী উদ্যোগীয়ে অংশগ্ৰহণ কৰিব। তথ্য আৰু জনসংযোগ মন্ত্ৰী পীযূষ হাজৰিকা, জ্যেষ্ঠ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, অসম ৰাজ্যিক পৰিবহণ নিগমৰ উপাধ্যক্ষ প্ৰণৱজ্যোতি লহকৰে আজি বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আদৰাৰ বাবে সকলো প্ৰস্তুতিৰ বুজ লয়। প্ৰধানমন্ত্ৰীগৰাকীক বিমানবন্দৰৰ পৰা আদৰি অনাৰ সময়ত অসমৰ  বাৰেৰহনীয়া সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব।

০০০০০

বিনিয়োগ আৰু আন্তঃগাথনি সন্মিলন এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৮ সহস্ৰাধিক শিল্পীৰ অংশগ্ৰহণেৰে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অহা ২৪ ফেব্ৰুৱাৰীত হ'বলগীয়া ঝুমুইৰ বিনন্দিনী কাৰ্যসূচীৰ বাবে জিলাই জিলাই ব্যাপক প্ৰস্তুতি চলিছে।

**মিউজিক**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অনুষ্ঠান উপভোগ কৰিব। অনুষ্ঠানৰ প্ৰস্তুতি পৰ্যালোচনাৰ বাবে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰীয়ে প্ৰতিদিনে আখৰা চলি থকা জিলাসমূহ ভ্ৰমণ কৰিছে। অনুষ্ঠানত অংশলবলগীয়া কাছাৰ, হাইলাকাণ্ডি আৰু শ্ৰীভূমি জিলাৰ মণ্ডল ভিত্তিক শিল্পীসকলৰ ঝুমুৰ নৃত্য প্ৰশিক্ষণ শিবিৰত উপস্থিত হৈ আজি কাছাৰ জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আখৰাৰ বুজ লয়। শিলচৰ টাউন ক্লাৱ মৈদানত অনুষ্ঠিত এই আখৰাত ৩০০ গৰাকীৰো অধিক ঝুমুৰ নৃত্য শিল্পী, বাদ্যশিল্পী আৰু প্ৰশিক্ষকে অংশ লৈছে। বিশ্ব ৰেকৰ্ডৰ বাবে সাজু হোৱা শিল্পীসকলৰ সৈতে মত বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে তেওঁলোকক উৎসাহিত কৰে।

উল্লেখযোগ্য যে, অসমৰ চাহ বাগিছাৰ দুশ বছৰীয়া জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত ঝুমুৰ কেন্দ্ৰীক এই বিশাল সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন  কৰা হৈছে। এই আয়োজনে ঝুমুৰ নৃত্যক বিশ্বৰ দৰবাৰত উজলাই তুলি চাহ শ্ৰমিকসকলক অধিক উদ্যমেৰে কাম কৰি যোৱাত অনুপ্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে। অনুষ্ঠানত বৰাক উপত্যকাৰ মুঠ ৩৪৬ গৰাকী শিল্পীয়ে অংশ গ্ৰহণ কৰিব য'ত কাছাৰ জিলাৰ পৰা মুঠ ১৮০ গৰাকী, শ্ৰীভূমি জিলাৰ পৰা ৬৪ গৰাকী আৰু হাইলাকাণ্ডি জিলাৰ ১০২ গৰাকী শিল্পী আছে।

০০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গুৱাহাটীৰ নাৰেঙ্গীৰ কেন্দ্ৰীয় ভঁৰালত আয়োজিত এটা কাৰ্যসূচীত ২০২৫-২৬ শিক্ষা বৰ্ষৰ বাবে বিনামূলীয়া পাঠ্যপুথি বিতৰণ কাৰ্যৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈন, অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ অধ্যক্ষ দেৱানন্দ হাজৰিকা উপস্থিত থাকে। শিক্ষামন্ত্ৰীগৰাকীয়ে অনুষ্ঠানৰ পাছত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি ৰাজ্য চৰকাৰৰ বিনামূলীয়া পাঠ্যপুথি আঁচনিৰ অধীনত এই বছৰ ১৯টা ভাষা আৰু ৯টা মাধ্যমত ৩ কোটি ৪১ লাখ ৭৮ হাজাৰ ৫৮১ খন বিনামূলীয়া পাঠ্যপুথি প্ৰস্তুত কৰা হৈছে।

**বাইট (ডাঃ ৰণোজ পেগু)**

চলিত বছৰৰ ভিতৰতে পাঠ্যপুথিসমূহ ই-পাঠ্যপুথিলৈ ৰূপান্তৰিত কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষকসকলৰ সুবিধা হোৱাকৈ এই ই-পাঠ্যপুথিত কিউ আৰ কোডৰ সৈতে অডিঅ'-ভিজুৱেল পাঠ সংযোজিত কৰা হ'ব। ইয়াৰ বাবে ইতিমধ্যে প্ৰকল্প গ্ৰহণ কৰিবলৈ অসম

ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডক আহ্বান জনোৱা হৈছে বুলি ডাঃ পেগুৱে উল্লেখ কৰে। ডিজিটেল শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি ডাঃ পেগুৱে কয়, যে ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষকক একোটাকৈ টেবলেট প্ৰদানৰ বিষয়টো গুৰুত্বসহকাৰে লোৱা হ'ব। এই অনুষ্ঠানতে শিক্ষামন্ত্ৰীগৰাকীয়ে স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ বাবে অনুষ্ঠিত টেট তথা নিযুক্তি পৰীক্ষাৰ ফলাফল শীঘ্ৰে ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে। খালী পদৰ সংখ্যাৰ হিচাপতহে প্ৰাৰ্থী উত্তীৰ্ণ কৰা হ'ব আৰু ফলাফলৰ পাছতে বিজ্ঞাপনৰ জৰিয়তে এই পদসমূহৰ বাবে আবেদন কৰিবলৈ জাননী প্ৰকাশ কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

00000

অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই আজি মুম্বাইৰ ছোচিয়েল মিডিয়া ইনফ্লুয়েঞ্চাৰ অভিষেক কৰক সামাজিক মাধ্যমত অসম সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত গুৱাহাটীত জেৰা কৰে। উলুবাৰীত থকা আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত আজি প্ৰায় ছঘণ্টা ধৰি লোকজনক জেৰা কৰা হয়। উল্লেখযোগ্য যে একাংশ ইউটিউবাৰ আৰু ছোচিয়েল মিডিয়া ইনফ্লুয়েঞ্চাৰে ৰাজ্যখনক লৈ কৰা বিৰূপ মন্তব্য মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ হোৱাৰ পাছতেই মুখ্যমন্ত্ৰীয়ে সমগ্ৰ বিষয়টোৰ তদন্তৰ নিৰ্দেশ দিছিল। ইয়াৰ ভিত্তিত অপৰাধ অনুসন্ধান বিভাগে  কালি আৰু আজিও অভিষেক কৰক সোধা পোচা কৰে। ইয়াৰ আগেয়ে কালি গুৱাহাটী আৰক্ষীয়ে এনে আপত্তিজনক মন্তব্যৰ অভিযোগত ৫ গৰাকী ইউটিউবাৰ আৰু ইনফ্লুয়েঞ্চাৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছিল। আচিছ চন্সলানি, যশপ্ৰীত সিং, অপূৰ্ব মাখিজা, ৰণবীৰ এলাহাবাদীয়া, সময় ৰাইনাকে ধৰি কেবাজনো এনে সামাজিক মাধ্যমত সক্ৰিয় লোকৰ বিৰুদ্ধে টেলিভিশ্বনৰ এটা অনুষ্ঠানত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগ উঠিছিল। এই অনুসৰি গুৱাহাটী মহানগৰৰ আৰক্ষীৰ অপৰাধ শাখাই এই লোককেইজনৰ বিৰুদ্ধে  গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

00000

কামৰূপ আৰু গোৱালপাৰা জিলাৰ ৩৬ টা পৰিষদীয় সমষ্টি সামৰি প্ৰকাশিত ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ খচৰা ভোটদাতাৰ তালিকাত ওজৰ আপত্তি দাখিলৰ অন্তিম সময়সীমা ২১ফেব্ৰুৱাৰী ধাৰ্য কৰা হৈছে। যোৱা ৭ ফেব্ৰুৱাৰীত প্ৰকাশিত এই তালিকা অনুসৰি পৰিষদত মুঠ ৪ লাখ ৩৮ হাজাৰ ৬২৫ গৰাকী ভোটদাতা আছে। ইয়াৰ ভিতৰত কামৰূপ জিলাত এক লাখ ৮৯ হাজাৰৰো অধিক আৰু গোৱালপাৰাত ২ লাখ ৪৯ হাজাৰৰো অধিক ভোটদাতা আছে। ৰাজ্যিক নিৰ্বাচন আয়োগে ভোটদাতাসকলক খছৰা তালিকা জিলা আয়ুক্ত নাইবা জিলা নিৰ্বাচনী বিষয়াই নিৰ্ধাৰণ কৰি দিয়া কেন্দ্ৰসমূহলৈ গৈ চাবলৈ আহ্বান জনাইছে। তদুপৰি ওজৰ আপত্তি থাকিলে ২১ ফেব্ৰুৱাৰীৰ পূৰ্বে দাখিল কৰিবলৈও কোৱা হৈছে।

00000

পৰহিলৈৰ পৰা হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন জিলাত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰসমূহৰ ৫০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত জনসাধাৰণৰ সমাগম নিষিদ্ধ কৰা হৈছে। ইয়াৰ লগতে পৰীক্ষাৰ্থীসকলে মোবাইল ফোন, স্মাৰ্ট ঘড়ী, ইলেকট্ৰনিক পেন, কেলকুলেটৰ আদি সামগ্ৰী লৈ পৰীক্ষা কেন্দ্ৰত

প্ৰৱেশ কৰিব নোৱাৰিব। পৰীক্ষা ব্যৱস্থাৰ স্বচ্ছতা, সততা আৰু শৃংখলাবদ্ধতা বৰ্তাই ৰখাৰ উদ্দেশ্যে এই নিষেধাজ্ঞা জাৰি কৰা হৈছে।

ooooo

শৈক্ষিক আৰু সামাজিক অনুষ্ঠান প্ৰজন্ম কলিয়াবৰৰ উদ্যোগত আৰু কলিয়াবৰবাসীৰ সহযোগত কুঁৱৰীটোল গান্ধী খেলপথাৰত আজিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে কলিয়াবৰ গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। কলিয়াবৰৰ বিধায়ক তথা জ্যেষ্ঠ মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰা এই গ্ৰন্থমেলাত আজি অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত গোস্বামী মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে বিশিষ্ট সাহিত্যিক উপেন্দ্ৰ বৰকটকী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত দিয়া ভাষণত ড০ গোস্বামীয়ে কয়, যে গ্ৰন্থ হৈছে অমৃত কুম্ভ য'ৰ পৰা আমি অমৃত লাভ কৰোঁ আৰু গ্ৰন্থই কাকো বিশ্বাসঘাতকতা নকৰে। আজিৰ উদ্বোধনী সভাত বিশিষ্ট সাহিত্যিক গুনীন হাজৰিকাই এখন স্মৃতি গ্ৰন্থ উন্মোচন কৰে। গ্ৰন্থমেলাত আজি পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাকে ধৰি অন্যান্য কাৰ্যসূচী অনুষ্ঠিত হয়।

ooooo

ৰাজ্যৰ প্ৰতিখন জিলাতে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিৰ সুবিধা লাভ কৰা কৃষকসকলৰ পঞ্জীয়ন কাৰ্যসূচী পূৰ্ণগতিত চলি আছে। চৰাইদেউ জিলা কৃষি বিভাগে নিজৰ নামত মাটিৰ পট্টা থকা, এতিয়ালৈকে কৃষক পঞ্জীয়ন নকৰা জিলাখনৰ হিতাধিকাৰী সকলক অনতিপলমে নিকটৱৰ্তী অৰুণোদয় কেন্দ্ৰলৈ গৈ পঞ্জীয়ন কৰাবলৈ অনুৰোধ জনাইছে। এই আঁচনিৰ সুবিধা লাভ কৰা কৃষকে সময়তে পঞ্জীয়ন নকৰালে পৰৱৰ্তী কিস্তিৰ পৰা বঞ্চিত হ'ব বুলি কৃষি বিভাগে জানিবলৈ দিছে। বিভাগে লগতে নিজৰ নামত মাটিৰ নামজাৰি নোহোৱা হিতাধিকাৰীসকলকো শীঘ্ৰে নামজাৰিৰ বাবে আবেদন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। ইতিমধ্যে ৰাজহ চক্ৰ বিষয়াসকলক অগ্ৰাধিকাৰ ভিত্তিত নামজাৰিৰ কামসমূহ সম্পন্ন কৰাৰ বাবে চৰকাৰে নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে কৃষি বিভাগৰ যিকোনো আঁচনিৰ সুবিধা লাভ কৰিবলৈ হ'লে কৃষক পঞ্জীয়ন হোৱাটো বাঞ্চনীয়।

ooooo

চাইবাৰ সুৰক্ষাৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি ৰাজ্যৰ ভিন ভিন জিলাত প্ৰশাসনৰ উদ্যোগত সুৰক্ষিত ইণ্টাৰনেট দিৱস পালন কৰা হৈছে। চৰাইদেউ জিলা প্ৰশাসন আৰু ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আজি আয়ুক্তৰ কাৰ্যালয়ত এই উপলক্ষে এখন কৰ্মশালাৰ আয়োজন কৰা হয়। প্ৰশাসন আৰু বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাত জিলা তথ্য বিষয়া প্ৰমোদ কুমাৰ নাথ আৰু চৰাইদেউ আৰক্ষীৰ চাইবাৰ কোষৰ কৰ্মী মানস হাতীবৰুৱাই সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ইণ্টাৰনেট সেৱা, চাইবাৰ সুৰক্ষা আৰু চাইবাৰ ভাবুকি নিয়ন্ত্ৰণৰ বিভিন্ন কৌশল সন্দৰ্ভত আলোচনা কৰা হয়।

বৰপেটা জিলাতো সুৰক্ষিত ইণ্টাৰনেট দিৱস উপলক্ষে আয়ুক্তৰ কাৰ্যালয়ত আজি এখন সভা অনুষ্ঠিত হয়। জিলাখনৰ আয়ুক্ত ৰোহন কুমাৰ ঝাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত ভাষণ দি জিলা তথ্য বিভাগৰ প্ৰতিনিধিয়ে অনলাইন সুৰক্ষাৰ বিষয়ে সকলোৰে ভালদৰে অৱগত হোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিশেষকৈ দুষ্টচক্ৰৰ কবলৰ পৰা ৰক্ষা পাবলৈ সকলো লোকৰে এই বিষয়ত ন্যূনতম জ্ঞান থকাটো প্ৰয়োজনীয় বুলি

তেওঁ উল্লেখ কৰে। আজিৰ এই দিৱস ৰাজ্যৰ বিভিন্ন চক্ৰ বিষয়াৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আৰু পৌৰসভা কাৰ্যালয়সমূহতো পালন কৰা হয়।

00000

নতুন দিল্লী আৰু শিলচৰৰ মাজত চলাচল কৰা সম্পৰ্কক্ৰান্তি এক্সপ্ৰেছ যোৱা নিশা শিলচৰৰ পৰা যাত্ৰা আৰম্ভ কৰাৰ পাছতে কাছাৰৰ চন্দ্ৰনাথপুৰত উপস্থিত হোৱাৰ সময়ত ৰেলখনৰ এটা ডবাত অগ্নিকাণ্ড সংঘটিত হয়। অৱশ্যে ৰেলকৰ্মীয়ে তৎপৰতাৰে এই জুই নিৰ্বাপন কৰে আৰু প্ৰায় এঘণ্টাৰ পাছত ৰেলখনে পুনৰ যাত্ৰা আৰম্ভ কৰে। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। ঘটনাৰ ফলত ৰেলযাত্ৰীৰ মাজত আতংকময় পৰিবেশৰ সৃষ্টি হয় যদিও ইয়াৰ ফলত কোনো যাত্ৰী হতাহত হোৱা নাই বুলি ৰেল কৰ্তৃপক্ষই জানিবলৈ দিছে।

00000

হোজাই আৰক্ষীয়ে অস্ত্ৰ-শস্ত্ৰ আৰু নিচাজাতীয় সামগ্ৰী সৰবৰাহৰ সৈতে জড়িত এজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। ব্যক্তিজন মণিপুৰৰ পি এল এ উগ্ৰপন্থী দলৰ এজন সদস্য বুলি আৰক্ষীৰ সূত্ৰই জানিবলৈ দিছে। জিলা আৰক্ষী অধীক্ষক পৰশ গুপ্তাই জানিবলৈ দিয়া মতে ইয়ায়িখুম তন্দুৰা সিং নামৰ এই উগ্ৰপন্থীজনক সোধা-পোছা অব্যাহত ৰাখিছে।

0000

বঙাইগাওঁ জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ যোগীঘোপা কয়লা বজাৰত আজি গুৱাহাটীৰ পৰা অহা জি এছ টি চোৰাংচোৱাৰ এটা ৫০ জনীয়া দলে অভিযান চলাই কমেও ৮৩ খন কয়লা ভৰ্তি ট্ৰাক জব্দ কৰে। ট্ৰাকসমূহৰ গৰাকীসকলে এই কয়লা কৰ পৰা আনিছে আৰু কলৈ সৰবৰাহ কৰিব সেই সন্দৰ্ভত কোনো সঠিক তথ্য দিব পৰা নাই বুলি অভিযানকাৰী দলটোৰ এগৰাকী বিষয়াই সংবাদ মাধ্যমক অৱগত কৰে। এই অভিযান চলি থকাৰ মাজতে দলটোৰ একাংশ বিষয়াই অবৈধভাৱে কয়লা সৰবৰাহত অভিযুক্ত ছহিদুল ইছলাম নামৰ লোকজনক বিচাৰি যোগীঘোপাৰ কাৰাইতাৰিত অভিযান চলাই যদিও তেওঁ পলাতক অৱস্থাত থকাত আটক কৰিব পৰা হোৱা নাই বুলি জানিবলৈ দিয়ে।

0000

কোকৰাঝাৰ জিলাত সদৌ বড়ো ছাত্ৰ সন্থাৰ সহযোগত বড়ো মাতৃ সংস্থাই বিভিন্ন অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি সজাগতা আৰু প্ৰতিবাদী সমদল উলিয়ায়। বডোফা শিশু উদ্যানৰ পৰা উলিওৱা এই সমদলত মহিলা গোট, ছাত্ৰ-ছাত্ৰী আৰু জিলাখনৰ ভালেমান লোকে অংশগ্ৰহণ কৰে। এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে মহিলাৰ বিৰুদ্ধে অপৰাধ, চাইবাৰ অপৰাধ, মাদক দ্ৰব্য সেৱনৰ ফলত কৰা যিকোনো ধৰণৰ অপৰাধৰ বিৰুদ্ধে জনসাধাৰণক সজাগ কৰাৰ লগতে এনে অপৰাধৰ বিৰুদ্ধে সকলোৰে একেলগে থিয় দিয়াৰ বাবে সংকল্প লোৱা হয়।

0000

৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ মৰিগাঁও জিলা মণ্ডলৰ ফাইনেলত আজি মৰিগাঁও নৱজ্যোতি ক্লাবে ভূৰবন্ধা আঞ্চলিক নৱজ্যোতি সংঘক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰে। এই জয়ৰ সুবাদত মৰিগাঁও নৱজ্যোতি ক্লাবে প্ৰতিযোগিতাৰ পৰৱৰ্তী পৰ্যায়ৰ

ক্লাষ্টাৰ-থ্ৰীত অংশগ্ৰহণৰ যোগ্যতা অৰ্জন কৰে। খেলখনত মৰিগাঁও নৱজ্যোতি ক্লাবে প্ৰথমাৰ্ধৰ ১৬ মিনিটত বিপক্ষৰ আত্মঘাতী গ'লৰ সহায়ত ১-০ৰ অগ্ৰগতি লাভ কৰে। পৰৱৰ্তী সময়ত ভূৰবন্ধা আঞ্চলিক নৱজ্যোতি সংঘই এটা গ'লেৰে এই ব্যৱধান হ্ৰাস কৰে যদিও ২-১ৰ ব্যৱধানত পৰাজয় বৰণ কৰে।

মানকাচৰত অনুষ্ঠিত বৰদলৈ ট্ৰফীৰ প্ৰথমখন ছেমি ফাইনেলত ফেকামাৰী ক্লাবে হাটশিঙিমাৰী স্পৰ্টছ্ ক্লাবত ১-০ৰ ব্যৱধানত পৰাস্ত কৰে। কাইলৈ চাদুল্লাবাৰী ক্লাব আৰু ঝাউদাঙা ক্লাবৰ মাজত দ্বিতীয়খন ছেমি ফাইনেল খেলোৱা হ'ব। পৰহিলৈ ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০

গুৱাহাটীস্থিত এটা বৈদ্যুতিন সংবাদ মাধ্যমৰ জ্যেষ্ঠ সাংবাদিক পল্লৱ বৰাৰ আজি হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। অসুস্থ হৈ পৰাৰ পাছতেই বৰাক পৰিয়ালৰ লোকে এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰাই যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। সাংবাদিকগৰাকীৰ নশ্বৰ দেহ আজি দুপৰীয়াৰ ভাগত গুৱাহাটী প্ৰেছ ক্লাৱলৈ নিয়াৰ পাছত কেইবাগৰাকীও সাংবাদিকে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত সাংবাদিকগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হয়।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰৰ শিহুমাৰা বি এছ্ এফৰ শিবিৰত আজি ৪৫ নম্বৰ বেটেলিয়নে নাগৰিক সভা অনুষ্ঠিত কৰে। এই সভাত সীমান্তৱৰ্তী এলেকাৰ ৪৫ গৰাকী বিশেষভাৱে সক্ষম লোকক হুইলচেয়াৰসহ বিভিন্ন সামগ্ৰী বিতৰণ কৰা হয়। সীমান্ত অঞ্চলত বসবাস কৰা লোকসকলৰ সৈতে সু-সম্পৰ্ক গঢ়ি তোলাৰ বাবে সীমান্ত সুৰক্ষা বাহিনীয়ে সময়ে সময়ে এনেধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে।

০০০০০

সমাপ্ত